জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৪৬/২০২০

# প্ৰবীণ সাংবাদিক সুৰেশ বৰঠাকুৰৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১০ মে'ঃ** প্ৰবীণ সাংবাদিক তথা সদৌ অসম সাংবাদিক সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি সুৰেশ বৰঠাকুৰৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত বৰঠাকুৰে অসমৰ সংবাদ জগতলৈ যি বলিষ্ঠ অৰিহণা আগবঢ়াই গৈছে সেয়া ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। এগৰাকী কৃতী শিক্ষক তথা বিশিষ্ট লেখক হিচাপেও সমাজলৈ সেৱা আগবঢ়োৱা প্ৰয়াত বৰঠাকুৰে ৰাজ্যখনৰ অসংগঠিত সাংবাদিকসকলৰ স্বাৰ্থ সুৰক্ষাৰ বাবে ওৰেটো জীৱন অশেষ ত্যাগ আৰু কষ্ট স্বীকাৰ কৰি গৈছে। তেখেতৰ বিয়োগ ৰাজ্যখনৰ শিক্ষা, সাহিত্য আৰু সংবাদ জগতৰ বাবে এক অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে অভিহিত কৰে।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত সুৰেশ বৰঠাকুৰৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**প্ৰঃকুঃবঃ / পুঃডেঃ**
**১০/৫/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam /cmofficeassam